প্ৰেছ বাৰ্তা নং ঃ ৩৩১/২০২২

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত আজি গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ একাডেমীক ব্লকৰ আন্তঃগাঁথনি উন্নয়ন সাধনৰ বাবে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ

## এই চুক্তিয়ে ৰাজ্যৰ চিকিৎসা শিক্ষাৰ দিশত এক নতুন দিগন্তৰ সূচনা কৰিলে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৪ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ একাডেমীক ব্লকৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। উল্লেখ্য যে অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিং আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানীয়ে এই চুক্তিত স্বাক্ষৰ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত আজি এক ঐতিহাসিক দিন। অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত স্বাক্ষৰিত এই বুজাবুজিৰ চুক্তিয়ে ৰাজ্যৰ চিকিৎসা শিক্ষাৰ দিশত এক নতুন দিগন্তৰ সূচনা কৰিলে। অসম চৰকাৰে প্ৰথমবাৰৰ বাবে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ দিশত ব্যক্তিগত খণ্ডৰ সৈতে সহযোগিতাৰে পদক্ষেপ ল'বলৈ আগবাঢ়িছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে দামানীয়ে তেখেতৰ কোম্পানীৰ জৰিয়তে শিক্ষা, স্বাস্থ্য, গৱেষণা, মহিলা সবলীকৰণ, জল সংৰক্ষণ, দক্ষতা বিকাশ আৰু ক্ৰীড়াৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আগবঢ়াই আহিছে। ক'ভিড মহামাৰীৰ সময়ত পি এম কেয়াৰছ আৰু মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ সাহায্য আগবঢ়োৱাৰ কথাও ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে।

ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডে সামাজিক দায়বদ্ধতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰি অসমত চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষত বিভিন্ন শিক্ষানুষ্ঠান স্থাপন আৰু চিকিৎসালয়সমূহক সহায়-সহযোগিতা আগবঢ়োৱাৰ দিশত এই প্ৰতিষ্ঠানৰ এক বৰ্ণাঢ্য ইতিহাস আছে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় ছাত্ৰ-ছাত্ৰীসকলক চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ ক্ষেত্ৰত অধিক সুযোগ প্ৰদান কৰাৰ বাবে কৰ্প'ৰেট খণ্ডসমূহলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডে অসমক প্ৰথমখন ৰাজ্য হিচাপে বাচি লৈ তেওঁলোকে সহযোগিতা আৰম্ভ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰায় ৬ দশক পূৰ্বে ১৯৬০ চনত ৰাজ্যখনৰ লগতে চুবুৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে গুৱাহাটীত প্ৰথমখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল।

তেতিয়াৰ তুলনাত বৰ্তমান ৰাজ্যখনত জনসংখ্যা বহুগুণে বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে চিকিৎসা বিজ্ঞানৰ শিক্ষা গ্ৰহণৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছে। নিতৌ বৃদ্ধি পোৱা চাহিদাৰ প্ৰতি বিবেচনা কৰি চৰকাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি চিকিৎসা শিক্ষা আৰু উন্নত স্বাস্থ্য সেৱাৰ সুবিধা বৃদ্ধিৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰখনৰ কেন্দ্ৰবিন্দু হিচাপে গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰয়োজন আছিল দীৰ্ঘদিনীয়া। এই প্ৰয়োজনীয়তা পূৰণৰ বাবে এক বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰি অসম চৰকাৰে গুৱাহাটীৰ কালাপাহাৰ আৰু এম এম চিত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই চিকিৎসা মহাবিদ্যালয়ৰ শৈক্ষিক ব্লকৰ লগতে স্নাতক শ্ৰেণী আৰু ইণ্টাৰ্ণ হোষ্টেলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডে কোম্পানীৰ সামাজিক দায়বদ্ধতা পুঁজি হিচাপে ১৫০ কোটি টকাৰ অৱদান আগবঢ়াইছে। তেওঁ লগতে কয় যে গুৱাহাটীৰ এই চিকিৎসা মহাবিদ্যালয়খনৰ স্থাপনৰ কাম আগুৱাই নিয়াৰ পদক্ষেপ হিচাপে অসম চৰকাৰ আৰু ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ মাজত এই বুজাবুজিৰ চুক্তি ৰূপায়ণ কৰা হৈছে। এই সহযোগিতাই চিকিৎসা মহাবিদ্যালয়খন স্থাপন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ চিকিৎসা বিজ্ঞান অধ্যয়নৰ আকাংক্ষা পূৰণৰ ক্ষেত্ৰত বাৰুকৈয়ে সহায় কৰিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অসমৰ প্ৰতিখন জিলাত এখনকৈ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ লক্ষ্যৰে কাম কৰি আছে। বৰ্তমানৰ ৯ খন চিকিৎসা মহাবিদ্যালয়ৰ উপৰি ১৫ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। নতুন ১৫ খন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰত ৭ খন চিকিৎসা মহাবিদ্যালয় ক্ৰমে নলবাৰী, নগাঁও, কোকৰাঝাৰ, তিনিচুকীয়া, চৰাইদেউ, বিশ্বনাথ চাৰিআলি আৰু গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম কৰি থকা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অহা ডিচেম্বৰ মাহৰ পৰা গোলাঘাট, বঙাইগাঁও, মৰিগাঁও, তামুলপুৰ আৰু ধেমাজিত নতুন ৫ খন চিকিৎসা মহাবিদ্যালয়ৰ কাম আৰম্ভ হ'ব। প্ৰস্তাৱিত আন চিকিৎসা মহাবিদ্যালয়সমূহৰ কামো অতি শীঘ্ৰে আৰম্ভ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা ৫ বছৰৰ ভিতৰত অসমত সৰ্বমুঠ ২৪ খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ লক্ষ্যৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে ২০১৪ চনত এম বি বি এছৰ আসনৰ সংখ্যা ৭২৬ খন থকাৰ বিপৰীতে ২০২২ চনত ১২০০ খনলৈ বৃদ্ধি পাইছে। ২০১৪ চনলৈকে অসমত মুঠ স্নাতকোত্তৰ শ্ৰেণীৰ আসনৰ সংখ্যা আছিল ৩৯৫। ২০২২ চনত পি জি আসনৰ সংখ্যা বৃদ্ধি হৈ ৭১১ খন হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত বৰ্তমান ৪৪ খন ছুপাৰ স্পেচিয়েলিটি আসন উপলব্ধ আছে। ২০২৪ চনৰ ভিতৰত গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কাম কৰি আছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ চিকিৎসা খণ্ডৰ সামগ্ৰিক বিকাশৰ প্ৰয়োজনীয়তা বিবেচনা কৰি প্ৰধানমন্ত্ৰীয়ে চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী খণ্ডৰ সৈতে সহযোগিতা আগবঢ়াবলৈ কৰ্প'ৰেট খণ্ডসমূহক আহ্বান জনাইছে। ৰাজ্য চৰকাৰে স্বাস্থ্য আন্তঃগাঁথনি আৰু চিকিৎসা

বিজ্ঞানৰ শৈক্ষিক সুযোগ বৃদ্ধি কৰাৰ উপৰি অত্যাধুনিক স্বাস্থ্য সেৱা প্ৰদানৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, ব্ৰাইট ষ্টাৰ ইনভেষ্টমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰমোটৰ তথা প্ৰতিষ্ঠাপক ৰাধাকিষণ দামানী, দামানী ফাউণ্ডেচনৰ হেড ষ্ট্ৰাষ্টী মধু চন্দাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধাৰ্থ সিং প্ৰমুখ্যে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**৪/১১/২০২২**